Total No. of printed pages = 4

4 (Sem-2). FASM-I

2019

# ASSAMESE

## (Functional MIL – I)

Paper – 201

Full Marks – 80

Pass Marks – 24

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। উত্তৰ দিয়া ঃ ১×৫=৫

(ক) 'টেম্পেষ্ট' নাটকখনৰ ৰচক কোন ?

(খ) 'শকুন্তলা' প্ৰবন্ধটি অসমীয়া ভাষালৈ কোনে অনুবাদ কৰিছে ?

(গ) পি.ই.এন.ৰ ভাৰতীয় শাখাৰ প্ৰথম গৰাকী সভাপতি কোন আছিল ?

(ঘ) মানুহক ইতৰ প্ৰাণীৰ পৰা কিহে পৃথক কৰিছে ?

(ঙ) 'শিক্ষা আৰু বৰ্তমানৰ অভাৱ-অভিযোগ' শীৰ্ষক পাঠটি কাৰ ভাষণ ?

[Turn over

২। অতি চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) শকুন্তলাৰ স্বামীগৃহ যাত্ৰাৰ সংগী ঋষিকুমাৰ দুজনৰ নাম লিখা।

(খ) 'সাধুতা' আৰু 'ত্যাগ'ৰ কাৰণে কাৰ কাৰ নাম ল'ব পাৰি ?

(গ) শকুন্তলাৰ জন্মদাতা পিতৃ আৰু মাতৃৰ নাম লিখা।

(ঘ) 'ইৰটিক প্ৰবৃত্তি' আৰু 'ধ্বংসাত্মক প্ৰবৃত্তি' কাক বোলে ?

(ঙ) ভাৰতৰ বিভিন্ন অঞ্চলৰ আৰু বিভিন্ন সম্প্ৰদায়ৰ মাজত যি একতাৰ ডোলৰ আৱশ্যক, সি কেনে হোৱা উচিত ?

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা)ঃ ৫×৪=২০

(ক) "সৰোজিনী নাইডুৱে অনুভৱ কৰিছিল যে, ভাৰতীয় সংস্কৃতি নীৰস, বৈচিত্ৰ্যহীন নহয়; ই ঐশ্বৰ্যপূৰ্ণ আৰু বৈচিত্ৰ্যময় সংস্কৃতি।" — কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

(খ) "জাতীয়তা বা আদৰ্শগত সংঘাতৰ ক্ষেত্ৰত আমি মাৰাত্মক ধৰণৰ সাময়িক সমাধান নিবিচাৰি মানৱীয় স্থায়ী কোনো সমাধান বিচৰাহে যুগুত।" —প্ৰসংগ সংগতি দৰ্শাই কথাষাৰ ব্যাখ্যা কৰা।

(গ) "শকুন্তলা বনৰ সৰলা হৰিণীৰ দৰে, পৰ্বতীয়া জুৰিৰ জলধাৰাৰ দৰে মলিনতাৰ সংশ্ৰৱতো অনায়াসেই নিৰ্মল।" — মন্তব্যটি পাঠৰ আধাৰত বিশ্লেষণ কৰা।

(ঘ) "শকুন্তলাক এটি 'পেৰাডাইজ লষ্ট' আৰু 'পেৰাডাইজ ৰিগেইন্‌দ' বুলিব পাৰি।" — কথাষাৰ বুজাই লিখা।

(ঙ) “শিক্ষাৰ আচল উদ্দেশ্য হৈছে প্ৰত্যেক ব্যক্তিক দুই ৰকমৰ মিলন স্থাপন কৰিবলৈ সুবিধা দিয়া।” — এই মিলন কেনেকৈ স্থাপন কৰিব পাৰি পাঠৰ আধাৰত আলোচনা কৰা।

(চ) “এইদৰেই আমাৰ গাওঁসমূহ এই শিক্ষাৰ ফলত তেনেই অন্ধকাৰ আৰু নিৰক্ষৰতাৰ স্থান হৈ পৰিল।” — আমাৰ গাওঁসমূহ কেনেদৰে অন্ধকাৰ আৰু নিৰক্ষৰতাৰ স্থান হৈ পৰিছিল পাঠটিৰ আধাৰত বুজাই লিখা।

৪। যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১×১০=১০

(ক) “টেম্পেষ্টত আছে পীড়ন, শাসন, দমন - শকুন্তলাত প্ৰীতি, শান্তি, সদ্ভাৱ।” — ‘শকুন্তলা’ প্ৰবন্ধৰ আধাৰত কালিদাসৰ ‘অভিজ্ঞান শকুন্তলম্’ আৰু শ্বেক্সপিয়াৰৰ ‘টেম্পেষ্ট’ নাটকৰ এক তুলনাত্মক আলোচনা কৰা।

(খ) “ইয়াতেই বুৰঞ্জীৰ তিনিটা সুঁতি আহি লগ খালে।” — এই সুঁতিকেইটা কি কি ? এই তিনিটা সুঁতিৰ মিলনত ভাৰতীয় মানুহৰ জীৱন কেনেদৰে প্ৰভাৱিত হৈছিল আলোচনা কৰা।

৫। বিজ্ঞাপন বুলিলে কি বুজা ? বাণিজ্যত বিজ্ঞাপনৰ ভূমিকা কি আলোচনা কৰা। বিজ্ঞাপনৰ দুটা সুফল আৰু দুটা কুফল লিখা। ২+৪+৪=১০

৬। তলত দিয়া নিৰ্দেশ অনুসৰি যি কোনো এখন পত্ৰ লিখা। (পত্ৰত তোমাৰ নাম, ঠিকনা ব্যৱহাৰ নকৰি অতুল বৰুৱা, পানবজাৰ, গুৱাহাটী-১ এই ঠিকনা লিখিবা।) ১০×১=১০

(ক) নলবাৰী কমাৰ্চ কলেজৰ ব্যৱসায় পৰিচালনা বিভাগত এটি সহকাৰী অধ্যাপকৰ পদৰ বাবে বিজ্ঞাপন প্ৰকাশিত হৈছে। এই পদৰ প্ৰাৰ্থী হিচাপে উক্ত কলেজৰ অধ্যক্ষলৈ প্ৰপত্ৰৰ আৰ্হিত এখন আবেদন পত্ৰ লিখা।

(খ) তুমি ব্যৱসায় কৰাৰ বাবে যি কোনো এবিধ বিদেশী পণ্য আমদানিৰ সিদ্ধান্ত লৈছা। সেইখিনি বিক্ৰীৰ বাবে ফৰমাচ আহ্বান কৰি ক্ৰেতা প্ৰতিষ্ঠানৰ প্ৰতি এক নিৰ্দেশপত্ৰ প্ৰেৰণ কৰা।

৭। তলত দিয়া যি কোনো এটা বিষয়লৈ এখন ৰচনা লিখা ঃ

১৫×১=১৫

(ক) অসমৰ পৰ্যটন উদ্যোগ

(খ) ভাৰতীয় বেংক ব্যৱস্থা

(গ) বাণিজ্য মেলাৰ সাৰ্থকতা

(ঘ) অসমৰ বানপানী আৰু অৰ্থনৈতিক দিশত ইয়াৰ প্ৰভাৱ।